অধ্যায় ৬ ঃ কেন্দ্রীয় বেংকৰ কার্যাৱলী

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ কেন্দ্রীয় বেংকৰ কার্যাৱলী
৬.৪ উন্নয়নশীল দেশত কেন্দ্রীয় বেংকৰ ভূমিকা
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবৰ বাবে
৬.৭ অগ্রগতিৰ খতিয়ান
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- আধুনিক অর্থনীতিত কেন্দ্রীয় বেংকে সম্পাদন কৰা বিভিন্ন কার্যৰ বিষয়ে জানিব পাৰিব
- এখন দেশৰ মুদ্রা আৰু বিত্তীয় ব্যৱস্থাৰ কর্তৃপক্ষ হিচাপে কেন্দ্রীয় বেংকৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতৰ দৰে উন্নয়নশীল দেশত কেন্দ্রীয় বেংকে পালন কৰা ভূমিকাৰ বিষয়ে অৱগত হ'ব।

৬.২ পৰিচয়

কেন্দ্রীয় বেংক হ'ল এখন দেশৰ মুদ্রা ব্যৱস্থাৰ শীর্ষ প্রতিষ্ঠান। দেশ এখনৰ বিত্তীয় ব্যৱস্থাৰ সবাতোকৈ গুৰুত্বপূর্ণ উপাদান হ'ল মুদ্রা ব্যৱস্থা। গতিকে কেন্দ্রীয় বেংক হ'ল এই বিত্তীয় ব্যৱস্থাৰ শীর্ষ প্রতিষ্ঠান। কেন্দ্রীয় বেংকে আধুনিক অর্থনীতিৰ মুদ্রা আৰু বিত্তীয় ব্যৱস্থাৰ সংগঠন, পর্যবেক্ষণ, নিয়ন্ত্রণ আৰু বিকাশৰ দায়িত্ব পালন কৰে। মুদ্রা আৰু ঋণৰ দ্বাৰা পৰিচালিত যিকোনো অর্থনীতি বিত্তীয় ব্যৱস্থাটোৰ ওপৰত বিশেষভাৱে নির্ভৰশীল। এই ক্ষেত্রতে কেন্দ্রীয় বেংকৰ সবাতোকৈ গুৰুত্বপূর্ণ দায়িত্বটো আহি পৰে। তদুপৰি ভাৰতৰ দৰে উন্নয়নশীল দেশত ইয়াৰ বিস্তৃত আর্থ-সামাজিক উদ্দেশ্যৰ লগত সঙ্গতি ৰাখি কেন্দ্রীয় বেংকে কেতবোৰ নির্দ্দিষ্ট উন্নয়নমূলক কার্যও সম্পাদন কৰিব লগা হয়। এই অধ্যায়টিত কেন্দ্রীয় বেংকৰ প্রধান কার্যাৱলী, বিভিন্ন ঋণ নিয়ন্ত্রণ পদ্ধতিসমূহ আৰু উন্নয়নশীল দেশত ই পালন কৰিব লগা বিশেষ ভূমিকাৰ বিষয়ে আলোচনা কৰা হৈছে।

এটা কেন্দ্রীয় বেংকৰ মুখ্য কার্যাৱলী আলোচনা কৰাৰ আগতে ডি ক'ক (De Kock) এ আগবঢ়োৱা কেন্দ্রীয় বেংকৰ বহল সংজ্ঞাটোত এবাৰ চকু ফুৰাই চোৱা যাওক। ক'কৰ মতে এটা কেন্দ্রীয় বেংক হ'ল "এখন দেশৰ আর্থিক আৰু বেংকিং সংৰচনাৰ সর্বোচ্চ কর্তৃত্ব আৰু ই ৰাষ্ট্রীয় অর্থনৈতিক স্বার্থত তলৰ কার্যাৱলী শ্রেষ্ঠ ভাৱে সম্পাদন কৰে ঃ (i) ব্যৱসায় আৰু সাধাৰণ লোকৰ প্রয়োজনীয়তা অনুসৰি দেশত প্রচলিত মুদ্রা নিয়ন্ত্রণ; ইয়াৰ বাবে কেন্দ্রীয় বেংকক কাগজী মুদ্রা (note) জাৰি কৰাৰ একক অধিকাৰ নাইবা অতি কমেও এক আংশিক একচেটীয়া অধিকাৰ প্রদান কৰা হয়, (ii) ৰাষ্ট্রৰ বাবে সাধাৰণ বেংকিং আৰু অভিকৰণবোৰৰ পাৰদর্শিতাৰ ওপৰত চকু ৰখা, (iii) বাণিজ্যিক বেংকবোৰৰ নগদ ধনৰ সঞ্চিত পূঁজিৰ ৰক্ষকৰ ভূমিকা পালন কৰা, (iv) দেশৰ আন্তঃৰাষ্ট্রীয় মুদ্রা সঞ্চয় পূঁজিৰ ৰক্ষক আৰু ব্যৱস্থাপকৰ ভূমিকা পালন কৰা, (v) ব্যৱসায়িক বেংক, বিল ব্রোকাৰ, ডীলাৰ আৰু অন্য বিত্তীয় প্রতিষ্ঠানৰ বাবে পুনৰ-ৰেহাই তথা অতিৰিক্ত বন্ধকী আগধন (collateral advances)ৰ ৰূপত বিভিন্ন অনুদান মঞ্জুৰ কৰা; সর্বশেষ ৰক্ষা উপায় হিচাপে ঋণ দিওতাৰ দায়িত্ব সাধাৰণভাৱে মানি লোৱা, (vi) দুটা বেংকৰ মাজৰ পূঁজি আজৰিকৰণ সমতা, (clearance balance) ৰ নিষ্পত্তিকাৰকৰ ভূমিকা গ্রহণ, (vii) ব্যৱসায়ৰ প্রয়োজনীয়তা অনুসৰি আৰু ৰাষ্ট্রই গ্রহণ কৰা বহল বিত্তীয় নীতি আগবঢ়াই নিয়াৰ লক্ষ্যৰে ঋণদান প্রক্রিয়া নিয়ন্ত্রণ কৰা।"

৬.৩ কেন্দ্রীয় বেংকৰ কার্যাৱলী

জনসাধাৰণৰ স্বার্থত মুদ্রাৰ পৰিমাণৰ সম্প্রসাৰণ আৰু সংকোচন পৰিচালনাৰ দায়িত্বভাৰ ন্যস্ত থকা প্রতিষ্ঠান হিচাপে কেন্দ্রীয় বেংকে বিভিন্ন ধৰণৰ কার্য সম্পাদন কৰে। ই ঋণৰ মুঠ পৰিমাণ আৰু ঋণ গাঁথনি — দুয়োটাকে নিয়ন্ত্রণ কৰে। প্রথমটো পৰিমাণবাচক পদ্ধতি আৰু পাচৰটো গুণবাচক পদ্ধতিৰ জৰিয়তে কৰা হয়। কেন্দ্রীয় বেংক সম্পর্কে থকা বেলেগ বেলেগ সংজ্ঞাত ইয়াৰ এক বা তাতোধিক কার্যৰ বিষয়ে গুৰুত্ব দিয়া হৈছে। এই অধ্যায়টিত এই দুই পদ্ধতিৰ সকলোবোৰ আহিলাৰ বিষয়ে বিতংভাৱে আলোচনা দাঙি ধৰা হৈছে।

কেন্দ্রীয় বেংকৰ প্রধান আৰু সাধাৰণ কার্যসমূহ তলত উল্লেখ কৰা ধৰণৰ —

- **মৌদ্রিক কর্তৃপক্ষ** (Currency Authority) ঃ কেন্দ্রীয় বেংকে মুদ্রা ছপা কৰাৰ ক্ষেত্রত একচেটিয়া অধিকাৰ ভোগ কৰে। কেন্দ্রীয় বেংকে ছপা কৰা মুদ্রাসমূহ আইন বিহিত মুদ্রা হিচাপে দেশৰ সর্বত্রতে পৰিগণিত হয়। এই কার্য সম্পন্ন কৰোঁতে কেন্দ্রীয় বেংকে তিনিটা কথা বিবেচনা কৰে। এইবোৰ হ'ল— সামঞ্জস্যতা, স্থিতিস্থাপকতা আৰু নিৰাপত্তা। মুদ্রা ছপাৰ অধিকাৰ আইনৰ দ্বাৰা নিয়ন্ত্রিত।

  কেন্দ্রীয় বেংকবোৰে দেশভেদে কাগজী মুদ্রা জাৰি কৰাৰ ক্ষেত্রত ভিন ভিন নীতি গ্রহণ কৰে। আইন অনুসৰি কেন্দ্রীয় বেংকে কাগজী মুদ্রা জাৰি কৰাৰ সময়ত হাতত এক নির্দিষ্ট পৰিমাণৰ সোণ আৰু বিদেশী প্রতিভূতি (foreign securities) জমা ৰাখিব লাগে। কিছু মান দেশত এই সোণ আৰু বিদেশী প্রতিভূতিৰ এক ধৰা-বন্ধা অনুপাত থাকে। এই অনুপাত

জাৰি কৰা সৰ্বমুঠ কাগজী মুদ্রাৰ ২৫ ৰ পাৰ ৪০ শতাংশৰ ভিতৰত হ'ব পাৰে। আন কিছুমান দেশত কেন্দ্রীয় বেংকে জাৰি কৰা কাগজী মুদ্রাৰ বিপৰীতে এক ন্যূনতম স্থিৰ পৰিমাণৰ সোণ আৰু বিদেশী মুদ্রা জমা ৰাখিব লাগে। ভাৰতত এই পদ্ধতিটো প্রচলিত। আমাৰ দেশত ভাৰতীয় ৰিজার্ভ বেংকে জাৰি কৰা কাগজী মুদ্রাৰ বিপৰীতে ১১৫ কোটি টকাৰ সোণ আৰু ৮৫ কৌটি টকা মূল্যৰ বিদেশী প্রতিভূতি জমা ৰাখিব লাগে। ন্যূনতম সৰ্বমুঠ ২০০ কোটি টকা মূল্যৰ সোণ আৰু বিদেশী প্রতিভূতি জমা কৰি থোৱাৰ পাচত ৰিজার্ভ বেংকে অসীম সংখ্যক কাগজী মুদ্রা জাৰি কৰিব পাৰে।

কেন্দ্রীয় বেংকক কাগজী মুদ্রা জাৰি কৰাৰ ক্ষেত্রত প্রদান কৰা একচেটীয়া অধিকাৰে জাৰি কৰা কাগজী মুদ্রাত একেৰূপতা (uniformity) সুনিশ্চিত কৰে। ই দেশৰ ভিতৰত বিনিময় আৰু বাণিজ্য সুচল কৰি তোলাত সহায় কৰে। ই বিত্তীয় ব্যৱস্থাটোক সুস্থিৰতা প্রদান কৰে আৰু দেশৰ নাগৰিকক আত্মবিশ্বাসী কৰি তোলে। অর্থনীতিৰ প্রয়োজন অনুসৰি কেন্দ্রীয় বেংকে নগদ ধন যোগান ধৰা কার্যটো নিয়ন্ত্রিত অথবা সম্প্রসাৰিত কৰিব পাৰে। এনেকৈয়ে ই বিত্তীয় প্রণালী এটাক নমনীয়তা প্রদান কৰে। কাগজী মুদ্রা জাৰিকৰাৰ ক্ষেত্রত থকা একচেটীয়া অধিকাৰৰ সহায়ত কেন্দ্রীয় বেংকে নগদ ধনৰ একমাত্র উৎসৰ ভূমিকা পালন কৰি দেশৰ বেংকিং ব্যৱস্থাটো নিয়ন্ত্রণ কৰে। কেন্দ্রীয় বেংকক কাগজী মুদ্রা জাৰি কৰাৰ একচেটিয়া অধিকাৰ প্রদান কৰি চৰকাৰে কাগজী মুদ্রা চপোৱাৰ বাবদ লাভ অর্জন কৰে। একোখন কাগজী মুদ্রাৰ প্রকৃত মূল্যৰ তুলনাত এনে মুদ্রা ছপা কৰাৰ খৰছ একেবাৰে কম।

- **চৰকাৰৰ বেংক, অভিকর্ত্তা আৰু পৰামর্শদাতা হিচাপে কেন্দ্রীয় বেংক** (Banker, Agent and Adviser to the Government) ঃ কেন্দ্রীয় বেংকে ৰাজ্য আৰু কেন্দ্রীয় উভয় চৰকাৰৰে বেংক হিচাপে কাম কৰে। চৰকাৰৰ বেংক হিচাপে কেন্দ্রীয় বেংকে কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰসমূহৰ ধন জমা ৰাখে তথা চৰকাৰৰ হৈ ধন পৰিশোধ কৰে। ই চৰকাৰৰ সকলো ধৰণৰ বেংক সেৱা যেনে মুদ্রা গ্রহণ আৰু প্রদান, বৈদেশিক বিনিময়, বৈদেশিক ঋণ পৰিশোধ আৰু অন্যান্য বেংক সেৱা আগবঢ়ায়। কেন্দ্রীয় বেংকে চৰকাৰৰ সোণ সঞ্চয়ৰ হিচাপ ৰাখে। অর্থাৎ, ই চৰকাৰী ধন আৰু সম্পদৰ তদাৰককাৰী ৰক্ষকৰ ভূমিকা পালন কৰে।

  চৰকাৰৰ অভিকর্ত্তা (agent) হিচাপে কেন্দ্রীয় বেংকে চৰকাৰৰ হৈ কৰ সংগ্রহ কৰে, চৰকাৰী ঋণ পৰিচালনাৰ দায়িত্ব লয় আৰু আন্তঃৰাষ্ট্রীয় মঞ্চত চৰকাৰক প্রতিনিধিত্ব কৰে। এক বিত্তীয় প্রতিভূৰূপে কেন্দ্রীয় বেংকে চৰকাৰক হ্রস্বম্যাদী ঋণ প্রদান কৰে। এই ঋণ পৰিশোধ কৰাৰ ম্যাদ ৯০ দিনতকৈ অধিক হ'ব নোৱাৰে। কেন্দ্রীয় বেংকে ঋণদান কৰে, ঋণৰ সূত পৰিশোধ কৰে আৰু চৰকাৰৰ হৈ শেষত ঋণ পৰিশোধ কৰে। অর্থাৎ, কেন্দ্রীয় বেংকে ৰাজহুৱা ঋণৰ সমগ্র ব্যৱস্থাটোৰ তদাৰক কৰে।

  চৰকাৰৰ এক উপদেষ্টা ৰূপে কেন্দ্রীয় বেংকে অর্থনীতি, মুদ্রা সম্বন্ধীয় আৰু বিত্তীয় বিষয়, যেনে- মুদ্রাৰ অৱমূল্যন, ৰাজহুৱা ঋণ ব্যৱস্থাপনা, বাণিজ্য নীতি, বৈদেশিক মুদ্রা বিনিময় নীতি আদিত চৰকাৰক বিভিন্ন দিহা-পৰামর্শ আগবঢ়ায়।

- **বেংকসমূহৰ বেংক** (Bankers' Bank) ঃ বেংকসমূহৰ বেংক হিচাপে কেন্দ্রীয় বেংকে নগদ সংৰক্ষণৰ ৰক্ষক (Custodian of Cash Reserves), শেষ পর্যায়ৰ ঋণদাতা (lender of Last Resort) আৰু বাণিজ্যিক বেংকৰ পৰিশোধ প্রতিনিধি (Clearing Agent) হিচাপে কাম কৰে। প্রত্যেক বেংকে ইয়াৰ নগদ জমাৰ এক নির্দ্দিষ্ট শতাংশ কেন্দ্রীয় বেংকত জমা ৰাখিব লাগে। কোনো বাণিজ্যিক বেংকে বিত্তীয় সংকটৰ সন্মুখীন হ'লে কেন্দ্রীয় বেংকৰ ওচৰ চাপিব পাৰে আৰু কেন্দ্রীয় বেংকে নির্দ্দিষ্ট চর্তসাপেক্ষে তেনে বেংকলৈ বিত্তীয় সমর্থন আগবঢ়ায়। আন সকলো বিকল্প শেষ হোৱাৰ পাচতহে বাণিজ্যিক বেংকে কেন্দ্রীয় বেংকৰ সহায়ৰ বাবে ওচৰ চাপে, সেয়ে কেন্দ্রীয় বেংকক *'শেষ পর্যায়ৰ ঋণদাতা'* বুলি কোৱা হয়। কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকৰ পৰিশোধ ভৱন হিচাপেও কাম কৰে। ই নিম্নতম নগদ মুদ্রা ব্যৱহাৰ কৰি বেংকসমূহৰ পৰস্পৰৰ দেনা-পাওনাৰ দাবী নিষ্পত্তি কৰে। কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকবোৰৰ নগদ জমা ধনৰ ৰক্ষকৰ ভূমিকা পালন কৰাৰ লগতে এই বেংকবোৰৰ লেন-দেন সুচল কৰি তোলাত সহায় কৰে। ডি ক'কৰ মতে বাণিজ্যিক বেংকবোৰে এনেদৰে নগদ জমাধন কেন্দ্রীয় বেংকৰ তত্ত্বাৱধানত থোৱাৰ বহুতো সুবিধা আছে। প্রথম সুবিধাটো হ'ল কেন্দ্রীয় বেংকত নগদ পূঁজি কেন্দ্রীভূত কৰাটোৱে দেশ এখনৰ বেংকিং ব্যৱস্থাটোৰ বাবে এক বৃহৎ শক্তি উৎসৰূপে কাম কৰে। দ্বিতীয় সুবিধাটো হ'ল কেন্দ্রীভূত নগদ ধনৰ পূঁজিয়ে এক বৃহত্তৰ আৰু অধিক স্থিতিস্থাপক ঋণ সংৰচনাৰ আধাৰ হিচাপে কাম কৰে। ব্যক্তিগত বেংকবোৰক এইখিনি পূঁজি ভগাই দিলেও ঋণ সংৰচনাটো ব্যাপক আৰু অধিক স্থিতিস্থাপক কৰি তুলিব পৰা নাযাব। তৃতীয় সুবিধাটো হ'ল ঋতুজ নাটনি, বিত্তীয় সংকট নাইবা জৰুৰী কালত কেন্দ্রীভূত নগদ ধনৰ পূঁজিটো সম্পূর্ণ তথা ফলপ্রসূভাৱে প্রয়োগ কৰিব পৰা যায়। চতুর্থ সুবিধাটো হ'ল নগদ জমা ধনৰ পৰিমাণত ভিন্নতা আৰোপ কৰি কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকবোৰৰ ঋণ সৃষ্টি কৰিব পৰা ক্ষমতা নিয়ন্ত্রণ কৰিব পাৰে। পঞ্চম তথা অন্তিম সুবিধাটো হ'ল বাণিজ্যিক বেংকবোৰৰ বিত্তীয় সমস্যাৰ সৃষ্টি হলে কেন্দ্রীয় বেংকে অস্থায়ী আৰু হ্রস্বম্যাদী ভাৱে বাণিজ্যিক বেংকবোৰক অতিৰিক্ত পূঁজিৰ যোগান ধৰি বিত্তীয় সমস্যা আঁতৰোৱাত সহায় কৰিব পাৰে।
- **বৈদেশিক বিনিময় মুদ্রাৰ তত্ত্বাৱধায়ক** (Custodian of Foreign Exchange Reserve) ঃ কেন্দ্রীয় বেংক এটাই দেশ এখনৰ বৈদেশিক মুদ্রা বিনিময় পূঁজি জমা ৰাখে আৰু এনে পূঁজিৰ ব্যৱস্থাপনাৰ দিশটো চোৱাচিতা কৰে। এই পূঁজি হ'ল সোণ আৰু বিদেশী মুদ্রাৰ এক ভাণ্ডাৰ। ই অন্য দেশৰ বিত্তীয় কর্তৃপক্ষক ধৰা-বন্ধা দামত সোণ বিক্রী কৰে। লগতে কেন্দ্রীয় বেংকে আন্তঃৰাষ্ট্রীয় মূল্যত বিদেশী মুদ্রা কিনা-বেচাও কৰে। ইয়াৰ উপৰি কেন্দ্রীয় বেংকে বিদেশী মুদ্রাৰ সৈতে খাপ খোৱাকৈ ঘৰুৱা মুদ্রাৰ বিনিময় দৰ স্থিৰ কৰে। আন্তঃৰাষ্ট্রীয় মুদ্রানিধিৰ এক সদস্য হিচাপে কেন্দ্রীয় বেংক এটাই নিজৰ দায়ৱদ্ধতা মানি চলি একোটা সংকীর্ণ পৰিসৰৰ ভিতৰত এই বিনিময় দৰ নির্ধাৰণ কৰে। ইয়াৰ দ্বাৰা কেন্দ্রীয় বেংকে বিদেশী মুদ্রা বিনিময় দৰলৈ সুস্থিৰতা ঘুৰাই অনাৰ চেষ্টা কৰে। এইবোৰৰ লগতে কেন্দ্রীয় বেংকে

আমদানি ব্যৱসায়ী তথা ব্যৱসায়, অধ্যয়ন ইত্যাদি কামত বিদেশলৈ যোৱা ব্যক্তিসকলক বিদেশী মুদ্রাৰ যোগান ধৰি বিনিময় নিয়ন্ত্রণ কার্য সম্পাদন কৰে। এই কার্য সম্পাদন কৰাৰ সময়ত চৰকাৰে ধার্য কৰা নীতি-নিয়মবোৰ পালন কৰা হয়। বৈদেশিক মুদ্রা বিনিময় পূঁজিৰ তদাৰককাৰী হিচাপে কেন্দ্রীয় বেংকে বৈদেশিক বিনিময় হাৰৰ স্থিৰতা ৰক্ষাৰ বাবে প্রয়োজনীয় পদক্ষেপ গ্রহণ কৰে আৰু '*লেন-দেনৰ সন্তুলন*'ৰ সমস্যা দূৰ কৰে।

- **মুদ্রাৰ যোগান আৰু ঋণ নিয়ন্ত্রণ** (Controller of Money Supply and Credit) ঃ কেন্দ্রীয় বেংকৰ আন এটা অতি গুৰুত্বপূর্ণ কার্য হ'ল ৰাষ্ট্রীয় অর্থনীতিৰ খাতিৰত মুঠ মুদ্রাৰ যোগান আৰু ঋণ নিয়ন্ত্রণ কৰা। কেন্দ্রীয় বেংকে নিজৰ লগতে বেংক ব্যৱস্থাটোৰ প্রয়োজনীয়তাসমূহ এনেভাৱে সমাধান কৰিব লাগে যাতে ইয়াৰ দ্বাৰা সর্বোচ্চ উৎপাদন, নিয়োগ, মূল্য স্থিৰতা তথা এক উচ্চহাৰৰ উন্নয়ন সম্ভৱ হয়। এই উদ্দেশ্যক বাস্তৱ ৰূপ দিবলৈ কেন্দ্রীয় বেংকে পৰিমাণগত আৰু গুণগত এই দুই ধৰণৰ ব্যৱস্থা গ্রহণ কৰে। পৰিমাণগত পদ্ধতিৰ লক্ষ্য হ'ল বেংক দৰ নীতি, মুকলি বজাৰ অভিযান আৰু বাণিজ্যিক বেংকবোৰৰ সঞ্চিত জমাধনৰ অনুপাতত তাৰতম্য ৰাখি ঋণৰ নামত হোৱা ব্যয় আৰু ঋণৰ পৰিমাণ কম কৰা। গুণগত পদ্ধতিয়ে ঋণৰ ব্যৱহাৰ আৰু দিশ নিয়ন্ত্রণ কৰে। নির্বাচিত ঋণ নিয়ন্ত্রণ আৰু পোনপটীয়া ক্রিয়া হ'ল এই পদ্ধতিৰ দুটা বৈশিষ্ট্য। এই পদ্ধতিবোৰৰ জৰিয়তে কেন্দ্রীয় বেংক এটাই দেশ এখনৰ অর্থনৈতিক কার্য-কলাপ সুস্থিৰ কৰি তুলিবলৈ বাণিজ্যিক বেংকবোৰৰ দ্বাৰা সৃষ্ট ঋণক প্রভাৱিত আৰু নিয়ন্ত্রণ কৰাৰ চেষ্টা চলায়।
- **বিকাশমূলক ভূমিকা** (Developmental Role) ঃ পৰম্পৰাগত ভুমিকাৰ বাহিৰেও কেন্দ্রীয় বেংকে উন্নয়নশীল দেশত কেতবোৰ উন্নয়নমূলক কার্য সম্পাদন কৰে। এইবোৰৰ ভিতৰত বিত্তীয় আন্তঃগাঁথনিৰ বিকাশ, অর্থনীতিৰ মৌদ্রিকীকৰণ, খণ্ড উন্নয়ন, বিতৰণমূলক ন্যায় আদি উল্লেখযোগ্য। এইবোৰৰ উপৰি কেন্দ্রীয় বেংকৰ অন্য বাণিজ্যিক বেংকবোৰৰ পৰিদর্শন তথা নিয়ন্ত্রণৰ ক্ষমতা আছে। কেন্দ্রীয় বেংকে অন্য বেংকবোৰক অনুজ্ঞাপত্র প্রদান কৰে, শাখা বিস্তাৰৰ নিয়মাৱলী ধৰি দিয়ে। ই আইন অনুসৰি প্রতিটো বেংকে ন্যূনতম দিবলগীয়া মূলধনৰ পৰিমাণ আৰু সঞ্চয় ৰাখিছেনে নাই সেয়া প্রত্যক্ষ কৰে। লগতে কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকবোৰৰ অধ্যক্ষ অথবা নির্দেশক নিয়োগৰ সময়ত নীতি আৰু অর্হতা মিলিলেহে সন্মতি জনাবলৈ, বেংকৰ খাতা পৰীক্ষা অথবা গণনা কৰোৱাবলৈ, দুর্বল বেংকবোৰৰ লীনভৱনৰ পৰামর্শ দিবলৈ নাইবা তেনে কৰাটো নিয়ন্ত্রণ কৰোৱাৰো ক্ষমতা থাকে। কেন্দ্রীয় বেংকে অন্য বেংকবোৰক অসফল হোৱাৰ পৰা ৰক্ষা কৰাৰ চেষ্টা কৰে, জমাকাৰীৰ স্বার্থ সুৰক্ষিত ৰখাৰ প্রয়াস কৰে, চৰকাৰক ৰাজহুৱা স্বার্থত কিছুমান বেংকক ৰাষ্ট্রীয়কৃত কৰাৰ পৰামর্শ আগবঢ়ায়, অন্য বেংক আৰু ৰাইজৰ সুবিধার্থে বিভিন্ন অর্থনৈতিক তথা বিত্তীয় নীতিৰ বিভিন্ন দিশ সম্পর্কে সাময়িক প্রতিবেদন প্রকাশ কৰে, বেংকৰ বিষয়াসকলক গৱেষণা আৰু বিভিন্ন প্রশিক্ষণত জড়িত কৰোৱায় ইত্যাদি।

- **বিবিধ কার্য** (Miscellaneous) ঃ ইয়াৰ উপৰিও কেন্দ্রীয় বেংকে তলত উল্লেখ কৰা কার্যসমূহো সম্পাদন কৰে —
  - ➢ ই অর্থনীতিৰ সাময়িক অৱস্থা সম্পর্কে পৰিসাংখ্যিক তথ্য সংগ্রহ আৰু প্রকাশ কৰে,
  - ➢ ই সমীক্ষা, আলোচনা চক্র আদি অনুষ্ঠিত কৰে আৰু মুদ্রাবিষয়ক সাময়িক প্রতিবেদন প্রকাশ কৰে, আৰু
  - ➢ বিভিন্ন বেংকিং প্রতিষ্ঠানত কাম কৰা কর্মচাৰীৰ প্রশিক্ষণ দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ দেশৰ শীর্ষ মৌদ্রিক প্রতিষ্ঠান হিচাপে গণ্য কৰা প্রতিষ্ঠানটোৰ নাম লিখক।

.....

প্রশ্ন ২ ঃ মৌদ্রিক কর্তৃপক্ষৰ ভূমিকা পালন কৰিবলৈ যাওঁতে কেন্দ্রীয় বেংকে কি কি তিনিটা বিষয়ৰ কথা মনত ৰাখে? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৩ ঃ কেন্দ্রীয় বেংকক কিয় শেষ পর্যায়ৰ ঋণদাতা বুলি কোৱা হয়? (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৬.৪ উন্নয়নশীল দেশত কেন্দ্রীয় বেংকৰ ভূমিকা

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে উন্নয়নশীল দেশত কেন্দ্রীয় বেংকে পৰম্পৰাগত কার্যাৱলীৰ বাহিৰেও বিভিন্ন ক্ষেত্রত ভিন ভিন ভূমিকা পালন কৰিব লগা হয়। দেশৰ মৌদ্রিক কর্তৃপক্ষ হিচাপে কেন্দ্রীয় বেংকে নিম্নোল্লেখিত দিশসমূহত সক্রিয় ভূমিকা পালন কৰে।

- দেশৰ বিত্তীয় আন্তঃগাঁথনি নির্মাণ কৰাৰ লগতে শক্তিশালী কৰি তোলা।
- নতুন বিত্তীয় প্রতিষ্ঠান স্থাপনৰ যোগেদি মুখ্য প্রতিষ্ঠানিক সুৰুঙা (institutional gap)বোৰ পূৰণ কৰা।
- অর্থনীতিৰ পৰিবর্তিত উন্নয়নমুখী প্রয়োজনসমূহ পূৰাবলৈ প্রচলিত বিত্তীয় প্রতিষ্ঠানসমূহক পূর্ণ সংগঠিত কৰা।

- সামাজিকভাৱে আকাংখিত দিশত ঋণৰ আৱণ্টন প্রভাৱিত কৰিবলৈ নতুন নীতি গ্রহণ কৰা।

ভাৰতীয় ৰিজার্ভ বেংক (RBI) এ গ্রহণ কৰা উন্নয়নমূলক আৰু পৃষ্ঠপোষকতাকাৰী ব্যৱস্থাবোৰৰ উল্লেখেৰে আমি এখন উন্নয়নশীল দেশত কেন্দ্রীয় বেংক এটাই কেনে ভূমিকা পালন কৰিব পাৰে সেয়া আলোচনা কৰিব পাৰোঁ। তলত এই বিষয়ে আলোচনা কৰা হ'ল।

- **বিত্তীয় প্রতিষ্ঠানৰ উন্নয়ন** ঃ দেশত বিত্তীয় প্রতিষ্ঠান স্থাপন আৰু বিত্তীয় আন্তঃগাঁথনি সবলীকৰণৰ উদ্দেশ্যে কেন্দ্রীয় বেংকে বাণিজ্যিক বেংক, সমবায় বেংক আৰু 'বিল বজাৰ' (bill market) ৰ উন্নতি সাধন কৰে।

অর্থনীতিত বাণিজ্যিক বেংকৰ গাঁথনি শক্তিশালী কৰাৰ উদ্দেশ্যে কেন্দ্রীয় বেংকে দুর্বল বেংকৰ তৰলীকৰণ কৰিব পাৰে বা সেইবোৰ সবল বেংকৰ সতে চামিল কৰাই দিব পাৰে। তদুপৰি নিয়মিত পৰিদর্শন আৰু পৰীক্ষণৰ যোগেদি বেংকৰ কাম কাজৰ মানদণ্ডৰ উন্নতি কৰিব পাৰে। কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকসমূহৰ ভৌগলিক পৰিসীমা বৃদ্ধি কৰাৰ লগতে বেংকৰ সুবিধা গোটেই দেশতে বিস্তাৰ কৰিব পাৰে। ভাৰতত ১৯৯১ চনত অর্থনৈতিক সংস্কাৰ আৰম্ভ হোৱাৰ দিনাৰে পৰা ভাৰতীয় ৰিজার্ভ বেংকে বহুতো ব্যক্তিগত খণ্ডৰ বেংক আৰু বিদেশী বেংকক দেশত বেংক চলোৱাৰ অনুজ্ঞাপত্র প্রদান কৰিছে। বিগত বছৰবোৰত সমাজৰ বিভিন্ন শ্রেণীৰ লোকৰ প্রয়োজন পূৰাব পৰাকৈ ৰাষ্ট্রীয় গ্রামীণ বিকাশ নিধি (RGVN/ MF)ৰ দৰে বহুতো সৰু সৰু বেংকৰ সেৱা আৰম্ভ হোৱা দেখা গৈছে। শেহতীয়াভাৱে বহুতো বিত্তীয় সেৱা যোগানকাৰীক 'পৰিশোধ বেংক' (Payment Bank) হিচাপে কাম কৰাৰ অনুজ্ঞাপত্র প্রদান কৰা হৈছে। কেন্দ্রীয় বেংক এটাই বেংক বিষয়াসকলৰ শিক্ষা তথা প্রশিক্ষণৰো দিহা কৰিব পাৰে। ভাৰতৰ বিত্তীয় সাক্ষৰতা আৰু প্রধানমন্ত্রীৰ জন ধন য়োজনা সফল কৰি তুলিবলৈ ভাৰতীয় ৰিজার্ভ বেংকে এটা অতি সক্রিয় ভূমিকা পালন কৰি আছে।

দেশৰ অর্থনৈতিক উদ্দেশ্য তথা পৰিস্থিতিৰ ভিত্তিত কেন্দ্রীয় বেংকে ভাৰতত সমবায় ঋণ আন্দোলনৰ দৰে ক্ষেত্রৰ উন্নয়নতো অৰিহণা যোগাব পাৰে। ভাৰতীয় ৰিজার্ভ বেংকৰ ভূমিকা হ'ল —এক কেন্দ্রীয় বেংকৰ পৰা সক্রিয় প্রতিনিধিলৈ পৰিবর্তিত হৈ সমবায় ব্যৱস্থাৰ জৰিয়তে বর্দ্ধিত গ্রাম্য ঋণৰ চাহিদা পূৰণ কৰা। এই ভূমিকাত ভাৰতীয় ৰিজার্ভ বেংকে অঞ্চল ভিত্তিক ঋণ প্রদানৰ বৈষম্য দূৰ কৰিবলৈ ক্ষুদ্র খেতিয়ক আৰু অন্য দুর্বল শ্রেণীলৈ ঋণ আগবঢ়াবৰ বাবে সমবায় বেংকলৈ অধিক বিত্তীয় সাহার্য আগবঢ়ায়।

উন্নয়নশীল দেশত 'বিল' বজাৰৰ উন্নয়নৰ বাবে কেন্দ্রীয় বেংকে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বেংক ব্যৱস্থাটোৰ বাবে বিকশিত 'বিল' বজাৰৰ বহু সুবিধা আছে। 'বিল'ৰ ব্যাপক ব্যৱহাৰে বেংক ব্যৱস্থাটোত তাৰল্য বৃদ্ধি কৰে, বিল ধাৰকলৈ উচ্চ প্রতিদান আগবঢ়ায়, বিত্তীয় সম্পদ ধৰি ৰখাৰ খৰছ কমায় আৰু সাধাৰণভাৱে মৌদ্রিক ব্যৱস্থাটোক স্থিতিস্থাপক কৰি তোলে। এই সকলোবোৰেই অর্থনীতিৰ বিত্তীয় আন্তঃগাঁথনিৰ বাবে ইতিবাচক পদক্ষেপ।

- **ঋণ আৰু বিত্তৰ উন্নয়ন** ঃ দেশৰ অর্থনৈতিক উন্নয়ন তৰান্বিত কৰাৰ উদ্দেশ্যে ঋণ আৰু

বিত্তৰ উন্নয়ন সাধিবলৈ কেন্দ্রীয় বেংকে গ্রাম্য আৰু কৃষি বিত্ত, ঔদ্যোগিক বিত্ত আৰু ৰপ্তানি বিত্তৰ প্রসাৰণ কৰিব পাৰে।

কৃষি তথা অন্যান্য গ্রাম্য কার্যলৈ পর্যাপ্ত পৰিমাণে আনুষ্ঠানিক ঋণ আগবঢ়াবলৈ কেন্দ্রীয় বেংকে বিশেষ দায়িত্ব পালন কৰিব পাৰে। এই উদ্দেশ্যে গ্রামাঞ্চললৈ বেংকৰ শাখা সম্প্রসাৰণ, ৰাষ্ট্রীয় কৃষি আৰু গ্রামোন্নয়ন বেংক (National Bank for Agricultural and Rural Development) তথা আঞ্চলিক গ্রাম্য বেংক আদিৰ দৰে বিশেষ প্রতিষ্ঠান স্থাপন কৰিব পাৰে। এই সকলোবোৰে গ্রাম্য বিত্তৰ ক্ষেত্রত প্রচুৰ অৰিহণা আগবঢ়ায়।

ঔদ্যোগিক বিত্তৰ ক্ষেত্রত কেন্দ্রীয় বেংকে পৰম্পৰাগত বাণিজ্যিক বেংকৰ সুৰুঙা জোৰা মাৰিব পাৰে। ই ক্ষুদ্র উদ্যোগৰ বাবে দীর্ঘম্যাদী উন্নয়নমূলক বিত্ত আৰু বেংক ঋণৰ ব্যৱস্থা কৰিব পাৰে। এনেকুৱা পদক্ষেপে নিশ্চিতভাৱে দেশৰ ঔদ্যোগিক উন্নয়ন ত্বান্বিত কৰাৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

বৈদেশিক বাণিজ্যৰ প্রসাৰণৰ ক্ষেত্রত তথা ৰপ্তানিৰ আন্তর্জাতিক প্রতিযোগিতা সন্মুখীন হ'বৰ বাবে কেন্দ্রীয় বেংকে ৰপ্তানি ঋণ আগবঢ়েৱাৰ ক্ষেত্রতো গুৰুত্বপূর্ণ পদক্ষেপ ল'ব পাৰে। ই ৰপ্তানি ব্যৱসায়ীসকলক বিশেষ সমর্থন দিয়ে আৰু দেশলৈ মূল্যবান বৈদেশিক মুদ্রা প্রবাহৰ ক্ষেত্রত এক ইতিবাচক প্রভাৱ পেলায়। ভাৰতীয় ৰিজার্ভ বেংকৰ দৰে কেন্দ্রীয় বেংকে ৰপ্তানি-আমদানি বেংক (Export Import Bank) ৰ দৰে বিশেষ প্রতিষ্ঠানো স্থাপন কৰিব পাৰে।

- **সামাজিকভাৱে আকাংক্ষিত দিশত ঋণৰ আৱণ্টন ঃ** সামাজিকভাৱে আকাংক্ষিত দিশলৈ পর্যাপ্ত ঋণৰ যোগান নিশ্চিত কৰিবলৈ কেন্দ্রীয় বেংকে দূর্বল শ্রেণীলৈ ঋণ, অগ্রাধিকাৰ খণ্ডলৈ ঋণ নিশ্চিতকৰণ, জনসংখ্যাৰ নির্বাচিত অংশলৈ পৃথকীকৃত সুদৰ হাৰ আদি আচঁনিৰ ব্যৱস্থা কৰিব পাৰে। এই ক্ষেত্রত কেন্দ্রীয় বেংকে ক্ষুদ্র উদ্যোগলৈ ঋণ নিশ্চিতকৰণ আঁচনি কার্যকৰীকৰণৰ ব্যৱস্থা কৰিব পাৰে, ক্ষুদ্র পৰিবহণ পৰিচালক, ব্যৱসায়ী, কাৰিকৰী আত্মনিয়োজিত লোক, ক্ষুদ্র ব্যৱসায়ী, খেতিয়ক আদিৰ ঋণৰ প্রয়োজন পূৰাবলৈ ঋণ নিশ্চিতকৰণ নিগম (Credit Guarantee Corporation) আদিৰ দৰে প্রতিষ্ঠান স্থাপন কৰিব পাৰে। সমাজৰ পীড়িত আৰু বঞ্চিত শ্রেণীৰ লোকৰ বাবে, যেনে — অনুসূচিত জাতি-জনজাতি আদিৰ বাবে কেন্দ্রীয় বেংকে সহজলভ্য সুদৰ হাৰৰ ব্যৱস্থা কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ NABARD আৰু EXIM বেংকৰ পূর্ণ পাঠ লিখক।

.....

.....

প্রশ্ন ৫ ঃ এখন দেশৰ কেন্দ্রীয় বেংকে উন্নয়নমূলক ভূমিকাত অৱিহণা যোগাব পৰা চাৰিটা বহল ক্ষেত্রৰ বিষয়ে উল্লেখ কৰক। (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৬ ঃ সুবিকশিত বিল বজাৰৰ দুটা সুবিধা উল্লেখ কৰক। (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এখন দেশৰ কেন্দ্রীয় বেংক হ'ল মৌদ্রিক কর্তৃপক্ষ। ইয়াৰ প্রাথমিক দায়িত্ব হ'ল দেশৰ মুদ্রা আৰু বেংক ব্যৱস্থাপনাৰ নিয়ন্ত্রণ। দেশৰ মৌদ্রিক নীতিৰ প্রস্তুতি আৰু কার্যকৰীকৰণৰ দায়িত্ব কেন্দ্রীয় বেংকৰ হাততে ন্যস্ত থাকে।
- মৌদ্রিক ব্যৱস্থা হ'ল দেশৰ বিত্তীয় ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূর্ণ উপাদান। সেয়ে কেন্দ্রীয় বেংকে আধুনিক অর্থনীতিৰ মৌদ্রিক আৰু বিত্তীয় ব্যৱস্থাৰ সংগঠন, পর্যবেক্ষণ, নিয়ন্ত্রণ আৰু বিকাশৰ ক্ষেত্রত নির্ণায়ক ভূমিকা পালন কৰে।
- জনসাধাৰণৰ স্বার্থত মুদ্রাৰ পৰিমাণ হ্রাস-বৃদ্ধিৰ পৰিচালনা কৰা প্রতিষ্ঠান হিচাপে কেন্দ্রীয় বেংকে বহুমুখী কার্য সম্পাদন কৰিব লগা হয়। এই কার্যবোৰৰ ভিতৰত হ'ল — মুদ্রা ছপাৰ একচেটিয়া অধিকাৰ, কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ বেংক তথা পৰামর্শদাতা, বেংকসমূহৰ বেংক, বৈদেশিক মুদ্রাৰ সংৰক্ষণ, ঋণ নিয়ন্ত্রণ তথা দেশৰ সামগ্রিক উন্নয়ন আৰু বিকাশমূলক কার্য।
- ভাৰতৰ দৰে উন্নয়নশীল দেশত কেন্দ্রীয় বেংকে পৰম্পৰাগত কার্যাৱলীৰ উপৰি বিভিন্ন ক্ষেত্রত নির্ণায়ক ভূমিকা পালন কৰে। দেশৰ মৌদ্রিক কর্তৃপক্ষ হিচাপে কেন্দ্রীয় বেংকে সক্রিয় ভূমিকা পালন কৰা কেইটামান উল্লেখযোগ্য বিষয় হ'ল — বিত্তীয় প্রতিষ্ঠানসমূহৰ উন্নয়ন, ঋণ আৰু বিত্তৰ উন্নয়ন, আৰু সামাজিকভাৱে আকাংক্ষিত দিশলৈ ঋণৰ আৱন্টন, ইত্যাদি।



৬.৬ অধিক জানিবৰ বাবে

ইংৰাজী গ্ৰন্থ ঃ

- Gupta, S. B. (1999). *Monetary Economics – Institutions, Theory and Policy*, New Delhi: S .Chand and Company Ltd.
- Paul, R. R. (2008). *Monetary Economics.* Ludhiana: Kalyani Publisher

অসমীয়া গ্ৰন্থ ঃ

- আহমেদ, ৰফিক (২০০৭) ঃ *সমষ্টিগত অৰ্থতত্ত্ব,* যোৰহাট ঃ ইউনিকা প্ৰকাশন।



৬.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ আমাৰ দেশৰ শীৰ্ষ মৌদ্ৰিক প্ৰতিষ্ঠানটো হ'ল দেশখনৰ কেন্দ্ৰীয় বেংক; অৰ্থাৎ ভাৰতীয় ৰিজাৰ্ভ বেংক (Reserve Bank of India)।

২নং প্ৰশ্নৰ উত্তৰ ঃ মৌদ্ৰিক কৰ্তৃপক্ষৰ ভূমিকা পালন কৰিবলৈ যাওঁতে কেন্দ্ৰীয় বেংকে বিবেচনা কৰা কথা তিনিটা হ'ল— সামঞ্জস্যতা, স্থিতিস্থাপকতা আৰু নিৰাপত্তা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যেক বেংকে ইয়াৰ নগদ জমাৰ এক নিৰ্দ্দিষ্ট শতাংশ কেন্দ্ৰীয় বেংকত জমা ৰাখিব লাগে। কোনো বাণিজ্যিক বেংকে বিত্তীয় সংকটৰ সন্মুখীন হ'লে কেন্দ্ৰীয় বেংকৰ ওচৰ চাপিব পাৰে আৰু কেন্দ্ৰীয় বেংকে নিৰ্দ্দিষ্ট চর্ত সাপেক্ষে তেনে বেংকলৈ বিত্তীয় সমৰ্থন আগবঢ়ায়। আন সকলো বিকল্প শেষ হোৱাৰ পাচতহে বাণিজ্যিক বেংকে কেন্দ্ৰীয় বেংকৰ সহায়ৰ বাবে ওচৰ চাপে, সেয়ে কেন্দ্ৰীয় বেংকক *'শেষ পৰ্যায়ৰ ঋণদাতা'* বুলি কোৱা হয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ NABARD = ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক (National Bank for Agricultural and Rural Development)।

EXIM = ৰপ্তানি-আমদানি (Export Import) বেংক।

৫নং প্ৰশ্নৰ উত্তৰ ঃ এখন দেশৰ উন্নয়নত কেন্দ্ৰীয় বেংকে নিম্নোল্লেখিত দিশসমূহত সক্ৰিয় ভূমিকা পালন কৰে। যথা—

- দেশৰ বিত্তীয় আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ লগতে শক্তিশালী কৰি তোলা।
- নতুন বিত্তীয় প্ৰতিষ্ঠান স্থাপনৰ যোগেদি মুখ্য প্ৰতিষ্ঠানিক সুৰুঙা (institutional gap) বোৰ পূৰণ কৰা।
- অৰ্থনীতিৰ পৰিবৰ্তিত উন্নয়নমুখী প্ৰয়োজনসমূহ পূৰাবলৈ প্ৰচলিত বিত্তীয় প্ৰতিষ্ঠানসমূহক পূৰ্ণ সংগঠিত কৰা।

- সামাজিকভাৱে আকাংখিত দিশত ঋণৰ আৱণ্টন প্রভাৱিত কৰিবলৈ নতুন নীতি গ্রহণ কৰা।

৬নং প্রশ্নৰ উত্তৰ ঃ বেংক ব্যৱস্থাটোৰ বাবে বিকশিত 'বিল' বজাৰৰ বহু সুবিধা আছে। সুবিকশিত বিল বজাৰৰ দুটা উল্লেখযোগ্য সুবিধা হ'ল—

- 'বিল'ৰ ব্যাপক ব্যৱহাৰে বেংক ব্যৱস্থাটোত তাৰল্য বৃদ্ধি কৰে, আৰু
- বিত্তীয় সম্পদ ধৰি ৰখাৰ খৰছ কমায় আৰু সাধাৰণভাৱে মৌদ্রিক ব্যৱস্থাটোক স্থিতিস্থাপক কৰি তোলে।



৬.৮ আৰ্হি প্রশ্ন

চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ঃ কেন্দ্রীয় বেংক কি?

প্রশ্ন ২ঃ কেন্দ্রীয় বেংকক কিয় বেংকসমূহৰ বেংক বুলি কোৱা হয়?

প্রশ্ন ৩ঃ এখন দেশৰ অর্থনীতিৰ বিত্তীয় প্রতিষ্ঠান সমূহক কেন্দ্রীয় বেংকে কেনেদৰে সহায় কৰে? আলোচনা কৰক।

প্রশ্ন ৪ঃ কেন্দ্রীয় বেংকক কিয় এখন দেশৰ বিত্তীয় ব্যৱস্থাৰ শীর্ষ প্রতিষ্ঠান বুলি কোৱা হয়?

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ঃ কেন্দ্রীয় বেংকে সম্পাদন কৰা পৰম্পৰাগত ভুমিকাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ ডি ক'ক (De Kock) এ আগবঢ়োৱা কেন্দ্রীয় বেংকৰ বহল সংজ্ঞাটো আলোচনা কৰক।

প্রশ্ন ৩ঃ উন্নয়নশীল দেশ এখনৰ অর্থনীতিৰ উন্নয়নত কেন্দ্রীয় বেংকে বিশেষ ভূমিকা পালন কৰে বুলি আপুনি ভাৱেনে? যুক্তি সহকাৰে আলোচনা কৰক।

প্রশ্ন ৪ঃ কেন্দ্রীয় বেংকক কিয় দেশ এখনৰ মৌদ্রিক কর্তৃপক্ষ বুলি কোৱা হয়?

** ***** **